**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-02-2025 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া ৰাজ্যৰ বিনিয়োগ আৰু আন্তঃগাঁথনি উন্নয়ন সন্মিলন এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় জ্যেষ্ঠ নেতাক সাক্ষাৎ কৰি এই সন্মিলনৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰে। নামৰূপত চৰকাৰে ইউৰিয়া প্ৰকল্প স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰধানমন্ত্ৰীগৰাকীক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনৰ উন্নয়নৰ যাত্ৰাক এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। সমাগত এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণ তথা ঝুমুইৰ বিনন্দীয়া অনুষ্ঠান সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ পৰা মূল্যৱান পৰামৰ্শ লাভ কৰা বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই সন্মিলন কেৱল অসমৰ ঔদ্যোগিক আৰু ব্যৱসায়ীক ক্ষেত্ৰই অৰ্জন কৰা সফলতাসমূহ প্ৰদৰ্শনতে সীমাৱদ্ধ নাথাকে, বৰঞ্চ ই দেশৰ বিভিন্ন খণ্ডৰ প্ৰতিষ্ঠানসমূহক প্ৰচুৰ সম্ভাৱনাৰে পৰিপূৰ্ণ ৰাজ্যখনলৈ আদৰিবলৈ চৰকাৰে কৰি থকা প্ৰস্তুতিৰ আভাস দিব। ড০ শৰ্মাই আজিৰ দিনটোতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰে। এই বৈঠকতে কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে এডভাণ্টেজ আছাম সন্মিলনৰ সামৰণি অধিৱেশনত অধ্যক্ষতা কৰিবলৈ সন্মতি প্ৰদান কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতেও এখন বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে এই বৈঠক অতি ফলপ্ৰসূ হোৱা বুলি প্ৰকাশ কৰি কয়, যে এডভাণ্টেজ আছামৰ এখন বৈঠকত অধ্যক্ষতা কৰিব। **আই ৰেইজ ইন বিকশিত আছাম** শীৰ্ষক এই বৈঠকে যোগাযোগ আৰু প্ৰযুক্তি উদ্যোগৰ মূল অংশীদাৰসকলক একত্ৰিত কৰি ৰাজ্যত **আই ৰেইজ** নিৰ্মাণৰ ক্ষেত্ৰত অসমক নিৰ্দিষ্ট কৌশল প্ৰণয়ন কৰাত সহায় কৰিব বুলি ড০ শৰ্মাই আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী হৰদ্বীপ সিং পুৰীৰ সৈতেও এডভাণ্টেজ আছাম সন্দৰ্ভত আলোচনাত মিলিত হৈ হাইড্ৰ'কাৰ্বন আৰু অসমৰ শক্তি সম্ভাৱনাৰ দিশটোৰ বিষয়ে আলোচনা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাও উপস্থিত থাকে।

ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি এডভাণ্টেজ আছাম হ'বলগীয়া খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰি প্ৰস্তুতিৰ সবিশেষ বুজ লয়। তেওঁৰ সৈতে ঔদ্যোগিক উন্নয়ন নিগমৰ সঞ্চালক মানৱেন্দ্ৰ প্ৰতাপ সিং, লোকনিৰ্মাণ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে সংযুক্ত মুক্তি বাহিনী, অসম চমুকৈ আলফাৰ ওপৰত থকা নিষেধাজ্ঞা ২০২৪ চনৰ ২৭ নৱেম্বৰৰ পৰা কাৰ্যকৰী হোৱাকৈ আৰু ৫ বছৰৰ বাবে বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ট্ৰাইবুনেলে আলফা সংগঠনক অহা ৪ মাৰ্চৰ বিয়লি ৩ বজাত গুৱাহাটী উচ্চ ন্যায়ালয়ত হাজিৰ হ'বলৈ

নিৰ্দেশ জাৰি কৰিছে। অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ ট্ৰাইবুনেলৰ পঞ্জীয়কে সংশ্লিষ্ট আইনৰ ৪-২ ধাৰাৰ অধীনত যোৱা ২৮ জানুৱাৰীত নিষিদ্ধ সংগঠনটোলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মাইকেল জোথানখুমালৈ গঠিত ট্ৰাইবুনেলে কেন্দ্ৰীয় চৰকাৰৰ এই জাননী অনুসৰি আলফাক নিষিদ্ধ ঘোষিত সংগঠন হিচাপে গণ্য কৰি থকাৰ উপযুক্ত কাৰণ আছে নে নাই সেই কথা ৩০ দিনৰ ভিতৰত জনাবলৈ সংযুক্ত মুক্তিবাহিনী, অসমলৈ জাননী জাৰি কৰিছে। এই জাননী সন্দৰ্ভত সংগঠনটোৱে ইয়াৰ স্থিতি জাননী লাভ কৰাৰ ৩০ দিনৰ ভিতৰত ট্ৰাইবুনেলৰ পঞ্জীয়কৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পুৰণি ভৱনৰ কাৰ্যালয়লৈ পঠিয়াব পাৰিব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

উল্লেখযোগ্য যে, নিষিদ্ধ ঘোষিত সংগঠন আলফাই ভাৰতৰ পৰা অসমক বিচ্ছিন্ন কৰাৰ বাবে মুকলিকৈ দাবী কৰাৰ লগতে বলপূৰ্বকভাৱে সংগঠনটোৰ বাবে পুঁজি সংগ্ৰহ আৰু ভাবুকি প্ৰদান, আন বিচ্ছিন্নতাবাদী সংগঠনৰ সৈতে সম্পৰ্ক ৰক্ষা কৰা, অবৈধভাৱে অস্ত্ৰ-শস্ত্ৰ আৰু গোলা-বাৰুদ মজুত কৰা, ২০২৪ চনৰ স্বাধীনতা দিৱসৰ পূৰ্বে অসমৰ কেইবা ঠাইতো বোমা সংস্থাপন কৰা আৰু ২০১৯ চনৰ ২৭ নৱেম্বৰৰ পৰা ২০২৪ চনৰ ১ জুলাই পৰ্যন্ত সংগঠনটোৰ বিৰুদ্ধে ১৬টা অপৰাধমূলক গোচৰ ৰুজু হৈ থকাৰ বিষয়ে উল্লেখ কৰি যোৱাবছৰৰ ২৭ নৱেম্বৰত কেন্দ্ৰীয় চৰকাৰে ভাৰত ৰাজপত্ৰ যোগে এখন অধিসূচনা জাৰি কৰি আলফাক আৰু পাঁচ বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰিছিল।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাণবাৰী সংৰক্ষিত বনাঞ্চল দেশী-বিদেশী পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ৰাষ্ট্ৰীয় উদ্যানৰ ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত আমবাৰী সংৰক্ষিত বনাঞ্চললৈ বিভিন্ন পক্ষীৰ আগমন হয়। এই বনাঞ্চল বিভিন্ন পক্ষীৰ সুৰক্ষিত আবাসভূমি হিচাপে বিবেচিত হৈ আহিছে। ৰাষ্ট্ৰীয় উদ্যানখনত পক্ষী পৰ্যটনৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বনাঞ্চলখনত নিৰীক্ষণ চূড়াৰ ব্যৱস্থা কৰা হৈছে। উল্লেখযোগ্য যে এই পাণবাৰী সংৰক্ষিত বনাঞ্চল দীৰ্ঘ বিৰতিৰ পাছত দৰ্শকৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০০০

**সমাপ্ত**